জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭৯/২০২১

# লোক নিৰ্মাণ (পথ) বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## বিভিন্ন পথ প্ৰকল্প নিৰ্মাণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## গ্ৰামাঞ্চলৰ জনসাধাৰণক উপকৃত কৰিব পৰাকৈ পথ নিৰ্মাণৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২২ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোক নিৰ্মাণ বিভাগৰ কনভেন্সন চেন্টাৰত লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্যখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে ব্যয় বৃদ্ধিৰ পৰা হাত সৰাৰ বাবে চলি থকা সকলোবোৰ প্ৰকল্পৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে আজিৰ এই বৈঠকতে কাৰ্যবাহী অভিযন্তাসকলক নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ লোক নিৰ্মাণ বিভাগৰ সকলো সংমণ্ডলৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন পথ প্ৰকল্পৰ কামৰ খতিয়ান লৈ মুখ্যমন্ত্ৰীয়ে কয় যে এখন ৰাজ্যৰ উন্নয়নৰ প্ৰতিচ্ছৱি উন্নতমানৰ পথ ব্যৱস্থাই ভালদৰে প্ৰতিফলিত কৰে। সেয়েহে অভিযন্তাসকলে এই পথসমূহ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত গুণগত মান অক্ষুন্ন ৰাখি সম্পূৰ্ণ কৰাৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৰূপায়িত হৈ থকা পথসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কাৰ্যবাহী অভিযন্তাসকলক পথ প্ৰকল্পসমূহ যুদ্ধকালীনভাৱে সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে তৃণমূল পৰ্যায়ৰ জনসাধাৰণে এই উন্নয়নৰ সুফল লাভ কৰিব পাৰে। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজি, ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৰূপায়িত হৈ থকা প্ৰকল্পসমূহৰো বুজ লয়। বৈঠকত কিছু সংখ্যক কাৰ্যবাহী অভিযন্তাই প্ৰকল্প সম্বন্ধীয় বিশেষ কিছু সংখ্যক বিষয় উত্থাপন কৰাত মুখ্যমন্ত্ৰীয়ে এই বিষয়সমূহ সমাধানৰ দিশত তেওঁলোকক পৰামৰ্শ আগবঢ়ায়

আৰু এই প্ৰকল্পসমূহ দ্ৰুততাৰে সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰস্তাৱিত 'এলিভেটেড ক'ৰিডৰ'ৰ বিষয়েও বুজ লয়। তদুপৰি মহানগৰীৰ দিছপুৰ, মালিগাঁও, চেৰাপভাটিত নিৰ্মাণ কৰি থকা উৰণীয়া সেঁতুৰ কাম-কাজৰ অগ্ৰগতিৰো মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰে।

চান্দমাৰীৰ পৰা নুনমাটি আৰু ৰাজগড়ৰ পৰা ভঙাঘড়লৈ প্ৰস্তাৱিত উৰণীয়া সেঁতুৰ বিষয়ে আলোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লোক নিৰ্মাণ (পথ) বিভাগৰ আয়ুক্ত তথা বিশেষ সচিব ৰাজেশ কেম্প্ৰাইক এই উৰণীয়া সেঁতু নিৰ্মাণৰ সম্ভাৱনীয়তা বিশ্লেষণেৰে এক প্ৰতিবেদন দাখিল কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে এই দিশত এক বাস্তৱসন্মত সিদ্ধান্ত ল'ব পৰা যায়।

ছিগনেশ্যাৰ প্ৰকল্পৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ অধীনৰ সকলোবোৰ পথ প্ৰকল্প সম্পূৰ্ণ কৰাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে আয়ুক্ত তথা বিশেষ সচিবগৰাকীক মান সম্পন্ন পথ নিৰ্মাণৰ বাবে এখন তিনিজনীয়া কমিটী গঠন কৰাৰ বাবেও নিৰ্দেশ দিয়াৰ লগতে মান সম্পন্ন পথ প্ৰকল্পসমূহৰ গুণগতভাৱে মূল্যায়ন কৰি সেই সমূহৰ স্থান নিৰূপনৰ বাবেও নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পথ আৰু উৰণীয়া সেঁতু নিৰ্মাণৰ কাম-কাজ ত্বৰান্বিত কৰাৰ বাবে ৰে'ল বিভাগৰ সৈতে যোগাযোগ চলাবলৈও নিৰ্দেশ দিয়ে।

বৈঠকত লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজেশ কেম্প্ৰাই, লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা, অতিৰিক্ত মুখ্য অভিযন্তা, অধীক্ষক অভিযন্তাৰ লগতে কাৰ্যবাহী অভিযন্তাসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২২/০৭/২০২১**